শনিবাৰ, ২২ ফেব্ৰুৱাৰী ২০২৫ নিয়মীয়া বাৰ্তা

# দিছপুৰ কলেজত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদযাপন



গুৱাহাটী, ২১ ফেব্ৰুৱাৰী ঃ আজি দিছপুৰ মহাবিদালয়ৰ অসমীয়া বিভাগ আৰু জোনাকী কাৰেঙৰ যুটীয়া উদ্যোগত 'আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস'ৰ স'তে সংগতি ৰাখি 'অসমীয়া ভাষাৰ উপভাষা' শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই বন্তি প্ৰজ্জ্বলন কৰি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত মুখ্যবক্তা কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° দিলীপ ৰাজবংশীয়ে। 'অসমীয়া ভাষাৰ উপভাষা' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। ড° ৰাজবংশীয়ে মাতৃভাষাৰ গুৰুত্বৰ লগতে অসমীয়া উপ-ভাষাৰ বিস্তৃত বিৱৰণ তথ্যসহ বৰ্ণনা কৰে। বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানৰ আঁত ধৰে বিভাগৰ ছাত্ৰ চন্দন কলিতাই। বক্তৃতাৰ শেষত উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলে জাতীয় সংগীত পৰিৱেশন কৰে। শেষত বিভাগৰ ছাত্ৰ ধ্ৰুৱজ্যোতি বৰ্মনে শলাগৰ শৰাই আগবঢ়ায়।